# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-11-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ বিভিন্ন জিলাত আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ লোক নিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত ৰাজ্যিক ভিত্তিত আয়োজিত অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ ধ্ৰুৱজ্যোতি বৰা নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে। উপাচাৰ্যগৰাকীয়ে **বিভ্ৰান্তিমূলক তথ্যৰ মাজত সংবাদসেৱাৰ বিশ্বাসযোগ্যতাক সুৰক্ষা প্ৰদান** বিষয়ত বক্তব্য আগবঢ়ায়।

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয়। এই উপলক্ষে কুইজ মাষ্টাৰ দিপাংকৰ কৌশিকৰ পৰিচালনাত অনুষ্ঠিত আন্তঃসংবাদ প্ৰতিষ্ঠান প্ৰাইজমানি কুইজ প্ৰতিযোগিতাত অসমীয়া প্ৰতিদিন কাকতৰ দিলীপ কুমাৰ শৰ্মা, উৎপল কুমাৰ দাস আৰু বিদুৎ কুমাৰ শৰ্মাৰ দলে প্ৰথম স্থান লাভ কৰে। দৈনিক জনমভূমি কাকতৰ অংকুৰ জ্যোতি শৰ্মা, দীপক চক্ৰৱৰ্তী আৰু জয়ন্ত ফুকনৰ দলে দ্বিতীয় স্থান লাভ কৰে। আকাশবাণী গুৱাহাটীৰ ইন্দ্ৰজিৎ দাস, নিভাৰাণী ৰায় আৰু দেৱাশিষ ৰাজকুমাৰৰ দলে তৃতীয় স্থান লাভ কৰে। উল্লেখযোগ্য যে আটাইকেইটা বিজয়ী দলতে আকাশবাণী গুৱাহাটীৰ সদস্য আছে।

প্ৰেছ দিৱসৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটী প্ৰেছ ক্লাবে চাৰিগৰাকী প্ৰবীন সাংবাদিকক সম্বৰ্ধনা জ্ঞাপন কৰে।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ অনুষ্ঠানত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সাংবাদিকসকলক তথ্যসমৃদ্ধ বাতৰি প্ৰদান কৰিবলৈ আহ্বান জনায়।

ঃ বাইট ঃ

শিৱসাগৰ, চৰাইদেউ, গোলাঘাট, নগাঁও, দৰং, লখিমপুৰ, ধেমাজিকে ধৰি প্ৰায়বোৰ জিলাতে আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয়।

০০০

শোণিতপুৰ জিলাৰ ৰঙাপৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ফুলগুৰি ঘইৰালি আদৰ্শ চিকিৎসালয়খন আজি স্বাস্থ্য মন্ত্ৰী অশোক সিংহালে উদ্বোধন কৰে। ৫ কোটি ৫ লাখ টকা ব্যয়সাপেক্ষে এই আদৰ্শ চিকিৎসালয়খন নিৰ্মাণ কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কাৰ্যবাহী সঞ্চালক ডাক্তৰ মনোজ চৌধুৰীকে ধৰি বিভাগটোৰ ভালেকেইগৰাকী বিষয়া উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে কয় যে এই আদৰ্শ চিকিৎসালয়খনৰ জৰিয়তে ফুলগুৰি, ঘইৰালি,

আমতল, বৰজুলি, হাতীপুখুৰী, নেপালীপাম, বাহুমাৰি, পাগলাবিল, চনাবিল আদি অঞ্চলৰ ১৩ লাখৰো অধিক লোক উপকৃত হ'ব।

০০০

বড়ো সাহিত্য সভাৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি বিটিআৰৰ জিলাকেইখনত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। কোকৰাঝাৰ জিলাৰ বিভিন্ন স্থানত আজি বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। ইপিনে, চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী পথাৰত অহা বছৰ হ'বলগীয়া বড়ো সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনৰ লাইখুঁটা স্থাপন কৰা হয়। অহা ৯ জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ এই অধিবেশন অনুষ্ঠিত হ'ব। আজি বিজনীৰ বিভিন্ন দল-সংগঠন আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ উপস্থিতিত বিটিচিৰ কাৰ্যবাহী সদস্য দেৰহাসাৎ বসুমতাৰীয়ে লাইখুঁটা স্থাপন কৰে। অনুষ্ঠানত বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় সভাপতি ড০ সুৰৎ নাৰ্জাৰী, মুখ্য সম্পাদক নীলকান্ত গয়াৰীৰ লগতে বিটিচিৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগয়াৰী উপস্থিত থাকে।

০০০

নলবাৰীৰ শ্ৰীশ্ৰী হৰি মন্দিৰত চলি থকা ৯২ সংখ্যক ৰাস মহোৎসৱ উপলক্ষে কাইলৈ জিলাখনত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে এটা নিৰ্দেশযোগে এই বন্ধ ঘোষণা কৰে। বন্ধৰ সময়ছোৱাত ৰাজ্য চৰকাৰৰ সকলো কাৰ্যালয়, শিক্ষানুষ্ঠান আৰু ৰাজহ আদালতসমূহ বন্ধ থাকিব। অৱশ্যে জৰুৰী সেৱাসমূহ চলি থাকিব।

০০০০

আহোমসহ ছটা জনগোষ্ঠীক জনজাতিকৰণ আৰু স্বায়ত্ত শাসনৰ দাবীত আজি সন্মিলিত সদৌ টাই আহোম ছাত্ৰ সন্থাই শিৱসাগৰত বিশাল জোৰ সমদল উলিয়ায়। আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত তলাতল ঘৰৰ বাকৰিৰ পৰা শিৱসাগৰ চহৰলৈ এই জোৰ সমদল উলিওৱা হয়। আটাছুৰ বিষয়ববীয়া আৰু কৰ্মীসকলৰ উপৰি জনগোষ্ঠীটোৰ বহুসংখ্যক লোকে বিভিন্ন শ্লোগানেৰে জনজাতিকৰণৰ দাবী জনায়।

০০০

পশ্চিম কাৰ্বি আংলঙৰ জিলা সদৰ হামৰেনত আজি জিলা আৰক্ষীৰ উদ্যোগত শিশুৰ অধিকাৰ সুৰক্ষা সন্দৰ্ভত এখন সজাগতাসভা অনুষ্ঠিত হয়। হামৰেনৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই সজাগতা সভাত জিলা আৰক্ষীৰ কেইবাগৰাকী বিষয়াৰ উপৰি শিশু অধিকাৰ সুৰক্ষা সমিতিৰ বিষয়াসকল উপস্থিত থাকে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**